# ৰাভা সমাজত পালন কৰা স্ত্ৰী লোকাচাৰ আৰু সমাজ সংস্কাৰত ইয়াৰ ভূমিকা

**দীপিকা ৰাভা**

*সহকাৰী অধ্যাপিকা, বিকালী মহাবিদ্যালয়, ধূপধৰা*

**সাৰাংশ ঃ**

ৰাভা সমাজ ব্যৱস্থাত পুৰুষৰ লগতে মহিলাসকলৰো এখন উচ্চ আসন আছে। ৰাভা মহিলাসকলে অতীতৰে পৰা সমাজৰ সকলো কামতে পুৰুষৰ লগত সক্ৰিয়ভাৱে সহযোগ কৰি আহিছে। সমাজৰ বিভিন্ন আচাৰ-অনুষ্ঠান, সামাজিক ৰীতি-নীতি, ধৰ্ম-কৰ্ম, বিবাহ-কাৰ্য, শ্ৰাদ্ধ-ক্ৰিয়া আদি সমস্ত কামতে স্বাধীনভাৱে অংশগ্ৰহণ কৰে। তেনেদৰে তেওঁলোকে দৈনন্দিন জীৱন প্ৰণালীত বিভিন্ন স্ত্ৰী লোকাচাৰসমূহ কোনো বিঘিনি নোহোৱাকৈ পালন কৰে। জন্ম, বিবাহ, মৃত্যু সম্পৰ্কীয় বিভিন্ন স্ত্ৰী লোকাচাৰ মহিলাসকলে গুৰুত্বসহকাৰে পালন কৰা দেখা যায়। এইবোৰৰ জৰিয়তে এখন ঘৰ বা সমাজ সুন্দৰভাৱে পৰিচালিত হয়। সমাজ আৰু ঘৰখনত এই স্ত্ৰী লোকাচাৰসমূহৰ প্ৰয়োজনীয়তা আছে। লগতে সমাজ সংস্কাৰত স্ত্ৰী

লোকাচাৰসমূহ কি ভূমিকা পালন কৰে, এই অধ্যয়ন পত্ৰখনৰ জৰিয়তে তাক ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰা হৈছে।

**সূচক শব্দ ঃ** ৰাভা, স্ত্রী লোকাচাৰ, ৰীতি-নীতি, জন্ম, বিবাহ।

**০.০ অৱতৰণিকা ঃ**

ৰাভা জনগোষ্ঠীৰ লোকসকল ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা তিব্বতবৰ্মীয় ভাষা গোষ্ঠীৰ অন্যতম বড়ো শাখাৰ অন্তৰ্গত এটি শাখা। বাৰেবৰণীয়া কলা-সংস্কৃতিৰে পৰিপূৰ্ণ এই গোষ্ঠীৰ লোকসকলে অসমীয়া ভাষাক শিক্ষাৰ মাধ্যমৰূপে গ্ৰহণ কৰিলেও নিজস্ব ৰাভা ভাষাক জীয়াই ৰাখিছে আৰু ঘৰুৱা পৰিৱেশত স্বকীয়ভাৱে কথোপকথন কৰি আহিছে। তেওঁলোকে সুকীয়া ৰীতি-নীতি, আচাৰ-অনুষ্ঠান পালন কৰি আন জনগোষ্ঠীৰ দৰে জীৱন অতিবাহিত কৰি আহিছে। ৰাভাসকলৰ সাংস্কৃতিক জীৱন পৰিক্ৰমাও বৈচিত্ৰ্যপূৰ্ণ।

ৰাভা সমাজ ব্যৱস্থাত পুৰুষৰ লগতে মহিলাসকলৰো এখন উচ্চ স্থান আছে। সমাজৰ সকলো কামতে পুৰুষৰ লগত সক্ৰিয়ভাৱে সহযোগ কৰি আহিছে। সমাজৰ বিভিন্ন আচাৰ-অনুষ্ঠান, সামাজিক ৰীতি-নীতি, ধৰ্ম-কৰ্ম, বিবাহ কাৰ্য, শ্ৰাদ্ধ ক্ৰিয়া আদি সমস্ত কামতে মহিলাসকলে স্বকীয়ভাৱে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি ঘৰখনৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা সৰ্বাধিক। তাহানি কালত ৰাভাসকলৰ সমাজ ব্যৱস্থা মাতৃপ্ৰধান আছিল। কিন্তু হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ ফলত এই গোষ্ঠীৰ লোককল পিতৃপ্ৰধান সমাজ ব্যৱস্থালৈ ৰূপান্তৰিত হৈছে। ৰংদানি, মায়তৰী ৰাভাসকলৰ সমাজ ব্যৱস্থালৈ চালে দেখা যায় যে ল'ৰা-ছোৱালী সদায় মাকৰ বাৰায় ভুক্ত হয় আৰু মাকৰ উপাধিহে গ্ৰহণ কৰে। কিন্তু পাতি ৰাভাসকলৰ মাজত এই বাৰায় প্ৰথাৰ প্ৰচলন দেখা নাযায়। পিতৃপ্ৰধান সমাজ ব্যৱস্থা হ'লেও ৰাভা মহিলাসকলৰ মাজত মাতৃ-সূত্ৰীয় কিছু প্ৰভাৱ থাকি গ'ল, যাৰ কাৰণে আন আন জনগোষ্ঠীয় মহিলাসকলৰ দৰে আমাৰ নাৰীসকলেও বহুত ক্ষেত্ৰত স্বতন্ত্ৰ আৰু স্বাধীন। অকল আচাৰ-অনুষ্ঠান পালন অথবা ধৰ্ম-কৰ্মতে পাকৈত নহয়- তাহানিৰ ৰাভা নাৰীয়ে জন্মভূমিৰ ৰক্ষাৰ্থে যুদ্ধ বিগ্ৰহতো পুৰুষৰ লগতে ধনু-কাঁড়, ঢাল-তৰোৱাল লৈ আগবাঢ়িছিল।[১] এগৰাকী নাৰী জন্মৰ পৰা মৃত্যুলৈকে সমাজৰ নীতি-নিয়ম বা আচাৰসমূহ পালন কৰিব লাগে স্বামী সন্তান বা ঘৰখনৰ মংগলৰ কাৰণে। ঠিক সেইদৰে নিজৰ দেহ আৰু মনটোক পৱিত্ৰতাৰে ৰাখিবৰ কাৰণে এই স্ত্রী লোকাচাৰসমূহ পালন কৰা নিতান্তই প্ৰয়োজনীয়। অসমীয়া সমাজ ব্যৱস্থাত এজনী ছোৱালী পুষ্পিতা হ'লে তোলনি

বিয়া পতাৰ নিয়ম আছে। ইয়াত সক্ৰিয়ভাৱে মহিলাসকল অংশগ্ৰহণ কৰে আৰু বিভিন্ন স্ত্ৰী লোকাচাৰ পালন কৰে, কিন্তু ৰাভা সমাজত এই নিয়ম নাই। বৰ্তমান কিছু শিক্ষিত ৰাভা লোকে এই নিয়ম পালন কৰা দেখা যায়। তোলনি বিয়া নাপাতিলেও কিছুমান স্ত্ৰী লোকাচাৰ পালন কৰে। বিশেষকৈ ৰাভাসকল অতীতৰে পৰা অন্যান্য জনগোষ্ঠীৰ বিভিন্ন সম্প্ৰদায়ৰ লোকৰ সৈতে বসবাস কৰি আছে যদিও তেওঁলোকৰ নিজস্ব সামাজিক নীতি-নিয়মবোৰ বৰ্জন কৰা নাই। অৱশ্যে অঞ্চলভেদে বৰ্ণহিন্দু সমাজ ব্যৱস্থাৰ প্ৰভাৱত প্ৰভাৱান্বিত হৈ ৰাভাসকলৰ কিছু কু-সংস্কাৰমুক্ত হোৱা পৰিলক্ষিত হয়।[৮] নিজৰ পৰম্পৰাগত স্ত্ৰী লোকাচাৰসমূহ পালন কৰাৰ লগতে অসমীয়া সমাজত প্ৰচলিত কিছু স্ত্ৰী লোকাচাৰো পালন কৰা দেখা যায়।

**০.১ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

প্ৰত্যেক জাতি-জনগোষ্ঠীৰে নিজস্ব জীৱন ধাৰণ প্ৰণালী আছে। এই জীৱন ধাৰণ প্ৰণালীৰ লগত জড়িত হৈ থাকে জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, বিষাদ-বিচ্ছেদ, আনন্দ-বিনোদন, আৰু লগতে সমাজৰ লগত সাঙোৰ খাই থকা বিভিন্ন সামাজিক আচাৰ-অনুষ্ঠান, সামাজিক ৰীতি-নীতি, ধৰ্ম-কৰ্ম আদি। সমাজ পাতি বাস কৰা ৰাভা জনগোষ্ঠীটো নিজস্ব কলা-সংস্কৃতিৰে পৰিপূৰ্ণ। বিভিন্ন উৎসৱ-পাৰ্বণ, ধৰ্মীয় অনুষ্ঠান, পূজা-পাতল, বিবাহ সম্পৰ্কীয় পালন কৰা বিভিন্ন উৎসৱ অনুষ্ঠানত তেওঁলোকে সামাজিক ৰীতি-নীতি লোকাচাৰ আদি পালন কৰে। বিশেষকৈ সমাজত নাৰীৰ স্থান উচ্চ বুলিয়ে কোৱা হয়। আমাৰ এই আলোচনা পত্ৰখনত ৰাভাসকলৰ সমাজ ব্যৱস্থাত এই স্ত্ৰী-লোকাচাৰ সমূহ কেনেদৰে প্ৰচলিত হৈ আছে এই স্ত্ৰী-লোকাচাৰসমূহ পৰম্পৰাগতভাৱে পালন কৰি আহিছে নে বৰ্তমান আধুনিকতাৰ পৰশত পৰিবৰ্তন হৈছে নেকি, তাক জানিবৰ বাবে এই অধ্যয়ন পত্ৰখন প্ৰস্তুত কৰাৰ মূল উদ্দেশ্য। বৰ্তমান সমাজ সংস্কাৰত ইয়াৰ ভূমিকা কিমান লগতে আধুনিক ধনবাদী সমাজত ইয়াৰ গুৰুত্ব কমি গৈছে নেকি? তাৰ এটি বিজ্ঞানসম্মত অধ্যয়নৰ প্ৰয়োজন আছে। এক সুশৃংখলিত আৰু তথ্যপূৰ্ণ বিচাৰ বিশ্লেষণ কৰাৰ উদ্দেশ্যে এই বিষয়টি অধ্যয়ন কৰিবলৈ লোৱা হৈছে।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

"ৰাভা সমাজত স্ত্ৰী লোকাচাৰ আৰু সমাজ সংস্কাৰত ইয়াৰ ভূমিকা" শীৰ্ষক অধ্যয়ন পত্ৰখন বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। অধ্যয়ন পত্ৰখন প্ৰস্তুত কৰোঁতে বিভিন্ন গ্ৰন্থ, মুখপত্ৰ, আলোচনীৰ সহায় লোৱা হৈছে। লগতে কিছু সমল ব্যক্তিৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

০.৩ অধ্যয়নৰ পৰিসৰ ঃ

অধ্যয়নৰ পৰিসৰ হিচাপে কামৰূপ আৰু গোৱালপাৰা জিলাত বাস কৰা পাতি ৰাভা সমাজত প্ৰচলিত স্ত্ৰী লোকাচাৰসমূহ সামৰি লোৱা হৈছে।

০.৪ মূল আলোচনা ঃ

জন্ম সম্পৰ্কীয় স্ত্ৰী লোকাচাৰ ঃ

ৰাভা সমাজত এগৰাকী নাৰীয়ে গৰ্ভৱতী হোৱাৰ পিছৰ পৰা বহুতো নীতি-নিয়ম পালন কৰিব লগা হয় একমাত্ৰ আহিব লগা নৱজাতকৰ মংগলৰ কাৰণে। গৰ্ভৱতী মহিলাক সন্ধিয়া হ'লে বাহিৰত ওলাব দিয়া নহয় কাৰণ তেওঁলোকে বিশ্বাস কৰে যে এনেদৰে ৰাতিলৈ বা বেয়া ঠাইত ঘূৰি ফুৰিলে দেওভূত বা যখিনীয়ে পায়। যাৰ ফলত গৰ্ভজাত সন্তানটো অনিষ্ট হ'ব পাৰে। তেনে অৱস্থাত জীৱ-জন্তু মাৰিব দিয়া নহয়। আনকি বেয়া কথা, কু-দৃষ্টিৰে আনক চাব নাপায়। সন্তান প্ৰসৱৰ সময়ত গাঁৱৰ অভিজ্ঞ মহিলাই ধাত্ৰীৰ কাম কৰে। সুকলমে সন্তান ভূমিষ্ঠ নহ'লে তেওঁলোকে জাকৈ এখনত এটি কুকুৰা পোৱালি বান্ধি দি বাটৰ কাষত থকা শাওৰা গছত যখিনীৰ উদ্দেশ্যে পূজা কৰি থৈ আহে। অথবা তিনিবাটৰ সংযোগ স্থলত যখিনী পূজা কৰি নাইবা প্ৰসূতিৰ দুৱাৰমুখত কুকুৰা কণী এটিৰে যখিনী পূজা কৰি প্ৰসৱিনীৰ মংগল কামনা কৰে। এইদৰে সন্তান ভূমিষ্ঠ হোৱৰ পিছত প্ৰসূতিক অকণমান কলৰ খাৰ আৰু নহৰু খুৱাই ফুল পেলোৱাৰ সুব্যৱস্থা কৰে।

সন্তান ভূমিষ্ঠ হোৱাৰ লগে লগে নৱজাতকৰ কুলাত থৈ দিয়ে। সুদক্ষ মহিলাৰ দ্বাৰা নৱজাতকৰ নাড়ী কাটি বান্ধি দিয়া হয়। তাৰ পিছত প্ৰসূতিক গা-মূৰ ধুৱাই দিয়া হয়। ৰংদানি, মায়তৰীসকলৰ মাজতো এই নিয়ম আছে। তেওঁলোকৰ নিয়মমতে নৱজাতকক ধুই-পখালি নিকা কৰাৰ পিছতে জাতকৰ মংগলাৰ্থে গাঁৱলীয়া ওজাই মতা হাঁহ এটা লৈ 'বায় মাম্মাৰ' পূজা দিয়ে। ইয়াৰ পিছত বেলেগকৈ নৱজাতক পাঁচতি কৰাই শুচি হোৱাৰ নিয়ম নাই। পাতিৰাভাসকলে সন্তান জন্মাৰ তিনি দিন বা পাঁচ দিনৰ পিছৰ মূৰত গৃহস্থৰ ঘৰ চোতাল মচি, কাপোৰ-কানি ধুই নিকা হৈ নৱজাতকক পাঁচতি কৰায়। আনকি ভাগি-দাইদিসকলকো সমাজে অশুচি বুলি জ্ঞান কৰে আৰু সেইদিনা তেওঁলোকেও ঘৰ-দুৱাৰ, কাপোৰ-কানি ধুই শুদ্ধি (পাতিৰাভাসকলে চুৱা গুচোৱা বুলি কয়) হৈ লয়। সেইদিনা দেউৰীয়ে গোটেই গাঁওখন অশুচি হয় কাৰণে তুলসীৰ পানী ছটিয়ায়।

পাতি ৰাভা সমাজত পাঁচতি কৰোঁতে নৱজাতকক বাহিৰলৈ অনা হয়। এজনী বয়সস্থা অভিজ্ঞা স্ত্ৰীৰ দ্বাৰা এই নিয়ম কৰা হয়। চোতালৰ কিছু ঠাই পুনঃ লেচা ফুৰাই, ধূপ-ধূনা, চাকি জ্বলাই এখন আগলতি কলপাতত তামোল-পাণ এযোৰ আৰু

তিওৱা চাউলৰ প্ৰসাদেৰে এখনি নৈবদ্য আগবঢ়ায়। নৈবদ্যৰ সম্মুখত চাৰি খুড়া যুক্ত পীৰাৰ ওপৰত এখন নতুন কপোৰ পাৰি দিয়া হয়। আৰু নৱজাতকক ধুৱাই আনি পীৰাৰ চাৰিওফালে শব্দ কৰি মাক-বাপেকৰ কথা মানি চলিবলৈ আৰু সৎ সাহসী হ'বলৈ আশীৰ্বাদ দিয়ে। মাহিলাজনীয়ে পিছত নৱজাতকৰ হাতত ধনু-কাঁড় লগাই দি চাৰিওদিশে চাৰিডাল আৰু উৰ্ধলৈ এপাত কাঁড় মাৰি অনিষ্টকাৰী অপদেৱতাবিলাকৰ পথ বন্ধ কৰে। তাৰ পিছত তিৰোতাজনীয়ে জাতকৰ মংগলাৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই জাতকক নতুন কাপোৰখনেৰে সৈতে হাতত তুলি লৈ পানী পূৰ্ণ চৰিয়াখনৰ ওপৰেদি পাঁচবাৰ পাৰ কৰাই নি মূল ঘৰত প্ৰৱেশ কৰায়। উক্ত চৰিয়াখনৰ পানীত ইকৰা বনৰ নাও এখন ৰখা হয়। জাতকক মূল ঘৰত প্ৰৱেশ কৰাৰ সময়ত ঘৰৰ চালত এঘটি পানী ছটিয়াই দিয়া হয় আৰু সেই পানী টোপালৰ মাজেদি নৱজাতকক ঘৰত প্ৰৱেশ কৰায়। সাধাৰণতে মহিলাসকলৰ দ্বাৰাহে কৰা হয়।

পাতি ৰাভা সমাজত এগৰাকী প্ৰসূতিক পাঁচতি কৰাৰ পিছতো এমাহলৈকে অশুচি বুলি জ্ঞান কৰা হয়। এমাহলৈকে সাধাৰণতে মহিলাগৰাকীক পাকঘৰত সোমাব দিয়া নহয়, থান বা মন্দিৰ আদিত সোমোৱাতো নিষিদ্ধ। এমাহৰ পিছত পুনৰ প্ৰসূতিৰ ঘৰ-দুৱাৰ মচি, কাপোৰ-কানি ধুই নিকা হৈ লয় আৰু মহিলাগৰাকীয়ে পাকঘৰ থান আদিত প্ৰৱেশ কৰে আৰু ভাত আঞ্জাও বনাব দিয়া হয়।[৩]

**বিবাহ সম্পৰ্কীয় স্ত্ৰী লোকাচাৰ ঃ**

আন আন জনগোষ্ঠীৰ দৰে ৰাভা সমাজ ব্যৱস্থাতো বিয়া এক পবিত্ৰ অনুষ্ঠান। এই বিবাহ কাৰ্যত পুৰুষসকলৰ দৰে মহিলাসকলো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা দেখা যায়। কইনা চাব যোৱাৰ পৰা জোৰণ দিয়া, বিয়ালৈকে তেওঁলোকৰ গাত যে তত নাই। যুৱতীৰ পৰা বয়সস্থা মহিলাই বিবাহৰ দিনা দৰা বা কইনাৰ ঘৰলৈ গৈ চোতাল ঘৰ মচিব। কাৰণ, ৰাভা সমাজত বাহী চোতালত বিবাহ কাৰ্য চলোৱাতো নিষিদ্ধ। আৱশ্যকীয় কৰণীয় কাম শেষ কৰি দৰা-কইনাক নোৱাবৰ কাৰণে পানী তুলিবলৈ আয়তী (পাতি ৰাভাসকলে পদালী বুলি কয়) সমন্বিতে দৰা-কইনাৰ ভনী, নবৌ, গাঁৱৰ আন মহিলাই বিয়া গীত গাই নদী বা কোনো পুখুৰীলৈ যায়। পানী তুলিবলৈ যাওঁতে এখন চালনিত পাঁচটা মাটিৰ চাকিৰ ষড়বাতি, কলহ, টেকেলি, ঘট আদি লৈ আয়তীসকলে ঢুলীয়া, খুলীয়াৰ সৈতে যায়। পানী তোলাৰ আগতে মাটিত পানীৰ উজনি মুখাকৈ থিয় হৈ প্ৰথমে এটা সিকি পানীত পেলাই দি গংগাৰ পৰা পানী কিনে। তাৰ পিছত পানীত পাঁচবাৰ তেল ঢালি দি কাঁচি এখনেৰে পাঁচবাৰ পানী কাটি দৰা-

কইনাৰ বাই-ভনী, নবৌ আৰু আয়তীসকলে কলহ, টেকেলি আৰু ঘট হাতে হাতে লৈ পানীত ডুব মাৰি পানী তুলি লৈ আহে আৰু মূল ঘৰত থৈ দিয়ে। সন্ধিয়া দৰা-কইনাক কল গছৰ তলত মহিলাসকলৰ দ্বাৰা নিয়ম কাৰ্য কৰি গা ধুওৱা হয়। দৰা আহি পোৱাৰ লগে লগে কইনাৰ ভনীৰ দ্বাৰা দৰাক ভৰি ধুৱাই আয়তীসকলে বিয়াগীত গাই আদৰি অনা হয়। বিয়াত আগ দিয়া সুৱাগুৰি তোলা, চাউল ছটিওৱা আদি আটাইবোৰকে মহিলাৰ দ্বাৰা পৰিৱেশন কৰা হয়। বিয়া সমাপ্ত হোৱাৰ পিছত দৰা কইনাক মূল ঘৰত প্ৰৱেশ কৰাই মহিলাসকলৰ দ্বাৰা কড়ি খেল খেলা হয়।

নিজৰ জন্মগত ঘৰখন এৰি যেতিয়া কইনাই স্বামী গৃহলৈ যাব লগা হয় তেতিয়া নিজৰ ঘৰখনলৈ ঘূৰি চাব নাপায়। কইনাই দৰা ঘৰ পোৱাৰ লগে লগে ভৰি ধুৱাই আদৰি নিয়া হয়। বিবাহৰ সাত দিন পিছত অৰ্থাৎ অষ্টম দিনা দৰা কইনাই লগত এজনী বুঢ়ী, ছোৱালী এজনী আৰু ল'ৰা এজন লৈ কইনাৰ ঘৰত ঘৰ ফিৰ্ৰিবলৈ (নেওতা দিয়া) যোৱা নিয়ম আছে।[৪]

**মৃত্যু সম্পৰ্কীয় স্ত্ৰী লোকাচাৰ ঃ**

মানুহৰ অন্তিম আৰু কৰুণ স্তৰটো হৈছে মৃত্যু। পৰিয়ালত তথা গাঁৱৰ কোনো ব্যক্তিৰ মৃত্যু হ'লে পুৰুষৰ লগতে মহিলাসকলেও অংশগ্ৰহণ কৰে। মৃত্যু সম্বন্ধেও বিভিন্ন স্ত্ৰী লোকাচাৰ মহিলাসকলে পালন কৰে। এগৰাকী বিবাহিতা স্ত্ৰীৰ যদি পতিৰ মৃত্যু হয় তেনেহলে গাঁৱৰ বয়সস্থা মহিলাই বিধৱা সজাই দিয়ে। স্ত্ৰীগৰাকীৰ শিৰৰ সেন্দুৰ মৃতকৰ ভৰিৰ তলুৱাৰে মচি দিয়া নিয়ম আৰু গাৰ আ-অলংকাৰ, ৰঙীন কাপোৰ-কানি সোলোকাই বগা সাজ পিন্ধাই দিয়া হয়। সাধাৰণতে পাতি ৰাভা সমাজত মহিলাসকলে বগা সাজ পিন্ধা দেখা যায়। মৃতকৰ শৱদেহটো ঘৰৰ পৰা শ্মশানলৈ উলিয়াই নিয়াৰ পিছত গাঁৱৰ আন মহিলাসকলে ঘৰখনৰ চোতাল মচি আৰু কাপোৰ কানি আঁতাই দিয়ে। গাঁৱৰ প্ৰত্যেক ঘৰৰ মহিলাই বিধৱাজনীক সান্ত্বনা দি ঘৰলৈ গৈ গা-পা ধুই, শ্মশানলৈ যোৱা পুৰুষসকলৰ কাৰণে পদুলি মুখত পানী, ধানখেৰ আৰু শুকাতি পাত থৈ দিয়ে। আৰু পিছত চাউল তিয়াই থৈ তাৰ পৰা পিঠাগুড়ি খুন্দি মৃতকৰ ঘৰলৈ লৈ যায় আৰু শ্মশানৰ পৰা আহি পিঠাগুড়ি খোৱা নিয়ম। গাঁৱৰ প্ৰত্যেক ঘৰৰ মহিলাই মৃতকৰ ঘৰলৈ পিঠাগুড়ি লৈ যোৱা নিয়ম। শ্ৰাদ্ধ নোযোৱালৈকে বিধৱা মহিলাগৰাকী তথা পৰিয়ালৰ আন ব্যক্তিসকলে চুলি আঁচুৰিব, দাপোণ চাব, তেল দিব নাপায়।

১১ দিনৰ শ্ৰাদ্ধৰ দিনা মহিলাসকলে ঘৰখন শুদ্ধি কৰি মৃতকৰ ঘৰলৈ আহে আৰু মৃতকক পিণ্ড দিয়াৰ বাবে গাঁৱৰ প্ৰত্যেক ঘৰৰ পৰা অঙহী-বঙহীসকলেও

ৰাতিপুৱাই এটা কুকুৰা, মদ, চাউল-পাত আদি লৈ আহে আৰু মৃতকলৈ আগবঢ়োৱা পিণ্ড মহিলাসকলৰ দ্বাৰা ৰন্ধা হয়। ৰংদানি সমাজ ব্যৱস্থাত ফাৰকান্তি কৰিলে তেওঁলোকৰ কেইজনমান পুৰুষ-মহিলাই শ্মশানলৈ গৈ মৃতকৰ অস্থি ৰখা পঁজাটোৰ সন্মুখত ঘৰতে নিয়া ভাত মাংস, মদ আদিৰে মৃতকৰ প্ৰতি শ্ৰদ্ধা জনাই পিণ্ড অৰ্পণ কৰে। পিণ্ড অৰ্পণ কৰাৰ সময়ত এজনী অভিজ্ঞা তিৰোতাই মৃতকৰ গুণ গৰিমা বৰ্ণাই ইনাই-বিনাই কান্দি পিণ্ড অৰ্পণ কৰে আৰু লগত যোৱা আন মহিলাসকলে পুৰুষৰ লগে লগে ঢাল-তৰোৱাল লৈ উক্ত পঁজাটোৰ চাৰিওফালে ঘূৰি ঘূৰি ফাৰকান্তি নৃত্য কৰে।[৫]

সাধাৰণতে স্বামীৰ মৃত্যু হোৱাৰ পিছত ৰাভা সমাজ ব্যৱস্থাত বিধৱা নাৰীগৰাকীয়ে বিভিন্ন স্ত্ৰী লোকাচাৰ পালন কৰা দেখা যায়। এবছৰলৈকে ওখ আসনত বহিব দিয়া নহয়, বগা সাজ পিন্ধিব লাগে আৰু কোনো অলংকাৰ পিন্ধিব দিয়া নহয়। তেনেদৰে পিতৃৰ মৃত্যু হ'লে জীয়ৰীসকলেও এবছৰলৈ ওখ আসনত বহিব নাপায়, কল খাব নাপায় আৰু পৰিয়ালটোৱে এবছৰলৈ জিমটেঙা খাব নাপায়।

**উৎসৱ-পাৰ্বণত পালন কৰা স্ত্ৰী লোকাচাৰ ঃ**

ৰাভাসকলৰ বিভিন্ন উৎসৱ-পাৰ্বণতো কিছুমান স্ত্ৰী লোকাচাৰ পালন কৰা হয়। দোমাহী, আমতিত (অম্বুবাচী) নাৰীসকলে ঘৰ-দুৱাৰ মচি, গা-পা ধুই লঘোনীয়া গাৰে ঘৰ গোসাঁনীক পূজা আগবঢ়ায়। তেনেদৰে দোমাহী-আমতিত পূৰ্বপুৰুষসকলৰ আত্মাৰ সন্তুষ্টিৰ কাৰণে হালধি, পিঁয়াজ আদি নিদিয়াকৈ মাংস-মাছ, ভাত একেলগে ৰান্ধি মদসহ পিণ্ড আগবঢ়াই সেৱা জনাই গৃহস্থৰ মংগল কামনা কৰে। পাতি ৰাভা সমাজৰ ন-খোৱা অনুষ্ঠানতো এনেদৰে পিণ্ড আগবঢ়ায়।[৬]

**সামৰণি ঃ**

সমাজ এখন সুচাৰুৰূপে পৰিচালনা হয় মহিলাসকলৰ পূৰ্ণ সহযোগিতাৰ ফলত। অকল পুৰুষৰ দ্বাৰা এখন সমাজ গঠন হ'ব নোৱাৰে। তাত স্ত্ৰীৰ সহযোগ থাকিবই লাগিব। এখন সুস্থ ঘৰ পৰিচালনা হয় এগৰাকী সুস্থ মনৰ অধিকাৰী নাৰীৰ দ্বাৰা। বিভিন্ন নীতি-নিয়ম, আচাৰ-ব্যৱহাৰৰ জৰিয়তেহে এখন ঘৰ সংস্কাৰমুখী হয়। এগৰাকী স্ত্ৰীয়ে ঘৰখনৰ বা সমাজখনৰ মংগলৰ কাৰণে বিভিন্ন ধৰণৰ স্ত্ৰী লোকাচাৰ পালন কৰে। যিবোৰ আচাৰ পালন কৰা গাঁৱলীয়া মহিলাসকলৰ কাৰণে বিভিন্ন পৰিৱেশত, ধৰ্ম-অনুষ্ঠানত নিতান্তই প্ৰয়োজন। ৰাতিপুৱাই শুই উঠাৰ পৰা শোৱাপাটীত যোৱালৈকে নিজৰ দায়িত্ব পালন কৰাৰ লগতে সমাজৰ নীতি-নিয়ম পালন কৰিব লাগে। বিভিন্ন ধৰ্ম-অনুষ্ঠান, জন্ম-বিবাহ, শ্ৰাদ্ধ-ক্ৰিয়া আদিত পালন কৰা স্ত্ৰী লোকাচাৰসমূহে এখন

সমাজ সংস্কাৰৰ ক্ষেত্ৰত মুখ্য ভূমিকা লয়। এই স্ত্ৰী লোকাচাৰসমূহ জাতি এটাৰ দাপোণস্বৰূপ। নিজে সংস্কাৰমুখী হ'লেহে এগৰাকী নাৰীয়ে সংস্কাৰমুখী সন্তান তথা সমাজ এখন গঢ় দিব পাৰে। বৰ্তমান যান্ত্ৰিকতাৰ যুগত এচাম মহিলাক এইক্ষেত্ৰত হেমাহি কৰা দেখা যায়। সমাজখন শিক্ষিত হোৱাৰ লগে লগে আৰু বৰ্তমান কিছু শিক্ষিতা মহিলাৰ মাজৰ পৰা এই আচাৰসমূহ নোহোৱাৰ উপক্ৰম হৈছে। এই নীতি-নিয়মসমূহ জীয়াই ৰখাটো আজি শিক্ষিতা নাৰীসকলৰ একান্ত প্ৰয়োজন হৈছে। নহ'লে এদিন ৰাভা জাতি বুলি আমি নিজকে পৰিচয় দিব নোৱাৰিম। অতি পিছপৰা অঞ্চলৰ অশিক্ষিতা মহিলাৰ মাজত জাতীয় প্ৰেমৰ ভাব যোগাই তোলাৰ আগিদাতে উৎসৱ অনুষ্ঠান, স্ত্ৰী লোকাচাৰ পালনৰ যথেষ্ট তাৎপৰ্য আছে। এইক্ষেত্ৰত উঠি অহা যুৱতীচামে পৰিবৰ্তনক আদৰি লৈ সমাজখনক ঐক্য-সংহতিৰে আগবঢ়াই নিব লাগিব আৰু পৰম্পৰাগত ধৰ্মীয় সামাজিক উৎসৱ-অনুষ্ঠান পালনৰ ক্ষেত্ৰতো অগ্ৰণী ভূমিকা ল'ব লাগিব।

**অন্ত্যটিকা ঃ**

১। ৰাভা, বীৰেন ঃ ৰাভা জনজাতিৰ চমু আভাস, পৃষ্ঠা- ১৩

২। ছেত্ৰী, শোভিত কুমাৰ ঃ 'এনাজৰী' (প্ৰবন্ধ- ৰাভা সমাজত মাহাৰি বিচাৰ ঃ হৰিমোহন সৰকাৰ) পৃষ্ঠা- ১০১

৩। সংবাদ দাতা ঃ মালতী ৰাভা, বনগাঁও, বয়স- ৬৮

৪। দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজ ঃ দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ বিধি ব্যৱস্থা, পৃষ্ঠা- ১৪ (প্ৰকাশক)

৫। ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, পৃষ্ঠা- ১২২

৬। সংবাদ দাতা ঃ কেতেকী ৰাভা, বনগাঁও, বয়স-৪০

**গ্ৰন্থপঞ্জী ঃ**

১। ৰাভা, ৰাজেন ঃ ৰাভা জনজাতি, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৭৪ চন।

২। ৰাভা, বীৰেন ঃ ৰাভা জনজাতিৰ চমু আভাস, ৰাভা প্ৰকাশন, শিংৰা, ১৯৯৮ চন।

৩। মুখপত্ৰ ঃ 'এনাজৰী', সম্পাদক- শোভিত কুমাৰ ছেত্ৰী, (প্ৰবন্ধ- ৰাভা সমাজত মাহাৰি বিচাৰ ঃ হৰিমোহন সৰকাৰ) উদ্‌যাপন সমিতি, মৰাণহাট, ২০১৫ চন।

৪। দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজ ঃ দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ বিধি ব্যৱস্থা, পৃষ্ঠা- ১৪ (প্ৰকাশক)

৫। সংবাদ দাতা ঃ কেতেকী ৰাভা, বনগাঁও, ৰংজুলি, বয়স- ৪০

৬। সংবাদ দাতা ঃ মালতী ৰাভা, বনগাঁও, ৰংজুলি, বয়স- ৬৮।

■■■